**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-05-2024
**Time :** 13-40 Hrs.

## ***Assamese Midday Bulletin***

::::::::::::::::::::::::::::::::::::::::::::

১। দেশত লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান অব্যাহত আছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব।

২। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ বঙ্গোপসাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণিবতাহজাক পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ দক্ষিণ - দক্ষিণ পূৱত প্ৰচণ্ড ঘূৰ্ণিবতাহলৈ ৰূপান্তৰিত হৈছে।

৩। ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে দিল্লীৰ বিবেক বিহাৰ চিকিৎসালয়ত হোৱা অগ্নিকাণ্ডত কেইবাটিও শিশুৰ প্ৰাণ নাশৰ ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ***আৰু***

৪। ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০

দেশত লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিভিন্ন দলৰ নেতাসকলে ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। এই পৰ্যায়ত পহিলা জুনত ৭ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। সপ্তম পৰ্যায়ত মুঠ ৯০৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশৰ মিৰ্জাপুৰত এখন নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ কয় যে, দেশে ভাল অভিপ্ৰায় আৰু নীতিৰ বাবে তৃতীয়বাৰৰ বাবে বিজেপি-এন ডি এ চৰকাৰ গঠনৰ সিদ্ধান্ত লৈছে। দেশে আই এন ডি আই মিত্ৰজোট সাম্প্ৰদায়িক বুলি ভালদৰে বুজি পাইছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোদীয়ে কয় যে, সমাজবাদী পাৰ্টী আৰু কংগ্ৰেছ ভোটবেংকৰ প্ৰতি সমৰ্পিত হোৱাৰ বিপৰীতে তেওঁ দুখীয়া, দলিত আৰু অনগ্ৰসৰ জনসাধাৰণৰ প্ৰতি সমৰ্পিত। সমাজবাদী পাৰ্টীক সমালোচনা কৰি শ্ৰীমোদীয়ে কয় যে, আইন শৃংখলা আৰু সমাজবাদী পাৰ্টী পৰস্পৰৰ পৰিপন্থী।

বৈঠকত অংশগ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা যোগী আদিত্য নাথে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এখন নতুন ভাৰত প্ৰত্যক্ষ কৰাৰ সুযোগ লাভ কৰাটো আমাৰ বাবে সৌভাগ্যৰ কথা। ভাৰত গোলকীয় শক্তিত পৰিণত হোৱাৰ দিশে অগ্ৰসৰ হোৱা বুলিও তেওঁ মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি উত্তৰ প্ৰদেশৰ ঘোছি আৰু বাঁসগাঁৱত নিৰ্বাচনী সভা সম্বোধন কৰাৰ কথা আছে। আনহাতে, সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱে আজি চালেমপুৰ আৰু বলিয়াত প্ৰচাৰ চলাব।

কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুলা গান্ধীয়ে আজি হিমাচল প্ৰদেশত চিমলা সংসদীয় সমষ্টিৰ অধীনত নাহান আৰু চিৰমৌৰ জিলাত প্ৰচাৰত ভাগ লয়। কংগ্ৰেছ প্ৰাৰ্থী বিনোদ চুলতানপুৰীৰ হকে প্ৰচাৰ চলাই কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, এইবাৰৰ নিৰ্বাচন ইতিহাসৰ প্ৰথম নিৰ্বাচন য'ত কংগ্ৰেছে সংবিধান ৰক্ষাৰ হকে যুঁজত অৱতীৰ্ণ হৈছে। তেওঁ কয় যে যোৱা বছৰ ৰাজ্যখন ভালেমা প্ৰাকৃতিক বিপৰ্যয়ৰ সন্মুখীন হোৱা স্বত্তেও কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য লাভ কৰা নাই। ৰাহুল গান্ধীয়ে আজি হামিৰপুৰ সংসদীয় সমষ্টিৰ অধীনৰ উনাত আন এখন নিৰ্বাচনী সভাত ভাগ লব।

০০০

লোকসভা নিৰ্বাচনৰ সামৰণি তথা ফলাফল ঘোষণালৈ মাত্ৰ কিছুদিন থকা অৱস্থাত সংসদত নৱনিৰ্বাচিত সাংসদসকলক আদৰণি জনোৱাৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। সংবাদ মাধ্যমৰ যোগে প্ৰকাশিত এক জাননীৰ মতে নিৰ্বাচন আয়োগে নিৰ্বাচিত প্ৰাৰ্থীসকলৰ তালিকা ঘোষণা কৰাৰ পিছতে নৱ নিৰ্বাচিত সাংসদসকল আহিবলৈ আৰম্ভ কৰিব। তেওঁলোকৰ ভ্ৰমণৰ পূৰ্বেই লোকসভা সচিবালয়ৰ নডেল বিষয়াসকল তেঁওলোকৰ সৈতে যোগাযোগত থাকিব। আন্তৰাষ্ট্ৰীয় বিমান বন্দৰ তথা ৰেলৱে ষ্টেছনসমূহৰ বিভিন্ন টাৰ্মিনেলসমূহত বিশেষ অভ্যৰ্থনা কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব। বিমান, ৰেল তথা পথযোগে উপস্থিত হোৱা নৱ নিৰ্বাচিত সাংসদসকলক নিৰ্ধাৰিত স্থানসমূহত আদৰণি জনোৱা হ'ব। সংসদ সংযোজন সম্প্ৰসাৰিত ভৱনসমূহৰ অভ্যৰ্থনা কেন্দ্ৰসমূহত সাংসদসকলৰ উপস্থিতিৰ পিছতেই তেওঁলোকৰ ফোন সংযোগ, নতুন বেংক একাউণ্ট, সংসদ ভৱনৰ স্মাৰ্ট এক্সেচ কাৰ্ড, ফাষ্টটেগ, ডিপ্লমেটিক পাছপোৰ্টজাতীয় নথিপত্ৰসমূহো জাৰি কৰা হ'ব। দিল্লীত ৰাজ্য চৰকাৰৰ অতিথিশালা তথা ৱেষ্টাৰ্ণ কোৰ্ট হোষ্টেল কমপ্লেক্সত তেওঁলোকৰ থকাৰ ব্যৱস্থা কৰা হৈছে। লগতে তেওঁলোকক সংবিধান, ব্যৱসায়ৰ পদ্ধতি তথা পৰিচালনাৰ নিয়মাৱলী আৰু হাতপুথি প্ৰদান কৰা হ'ব।

০০০

উত্তৰ প্ৰদেশৰ শ্বাহজাহানপুৰ জিলাৰ খুটাৰ আৰক্ষী চকীৰ অধীনৰ লখিমপুৰ জিলাত যোৱা নিশা হোৱা এটা বাছ দুৰ্ঘটনাত ১১ জন ভক্তই প্ৰাণ হেৰুৱাই আৰু অন্য ১০ জন গুৰুতৰভাৱে আহত হয়। আহতসকলক শ্বাহজাহানপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, বাছখন সীতাপুৰৰ পৰা উত্তৰাখণ্ড অভিমুখে গৈ থকা অৱস্থাত মালভৰ্তি ট্ৰাক এখনে খুন্দিওৱাৰ ফলত এই অঘটনটো ঘটে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে এই দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুয়ে দিল্লীৰ বিবেক বিহাৰ চিকিৎসালয়ত সংঘটিত অগ্নিকাণ্ডত হোৱা শিশুসকলৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমযোগে শ্ৰীমতী মুৰ্মুয়ে নিহত শিশুসকলৰ পিতৃ-মাতৃৰ লগতে পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। তেওঁ লগতে আহত শিশুসকলৰ আশু আৰোগ্য কামনা কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও সদ্যজাত শিশুসকলৰ মৃত্যুত দুখ প্ৰকাশ কৰে। তেওঁ নিহত শিশুসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰি আহত শিশুসকল সোনকালে সুস্থ হৈ উঠাৰ আশা ৰাখে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ যোগে দিল্লীৰ চিকিৎসালখনত সংঘটিত এই অগ্নিকাণ্ডৰ ঘটনাটোক হৃদয় বিদাৰক বুলি ব্যক্ত কৰে। তেওঁ এই কঠিন সময়ছোৱাত শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনায়। শ্ৰীমোদীয়ে লগতে আহত শিশুসকলৰ আশু আৰোগ্য কামনা কৰে।

০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে কৈছে যে, উত্তৰ বঙ্গোপসাগৰত সৃষ্টি হোৱা ৰেমল নামৰ ঘূৰ্ণিবতাহজাক পশ্চিমবংগৰ সাগৰ দ্বীপপুঞ্জৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ দক্ষিণ - দক্ষিণ পূৱত প্ৰচণ্ড ঘূৰ্ণিবতাহলৈ ৰূপান্তৰিত হৈছে। বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা মতে বতাহজাক উত্তৰ দিশলৈ গতি কৰিব আৰু প্ৰতিঘণ্টাত ১১০ ৰ পৰা ১৩৫ কিলোমিটাৰ বেগেৰে আজি মাজনিশালৈ বাংলাদেশ আৰু কাষৰীয়া পশ্চিমবংগৰ উপকূলভাগ পাৰ হৈ যোৱাৰ সম্ভাৱনা আছে।

ইপিনে, কোলকাতা বিমান বন্দৰ কৰ্তৃপক্ষই ঘূৰ্ণি বতাহজাকৰ সম্ভাব্য প্ৰভাৱলৈ চাই আজি দুপৰীয়াৰ পৰা ২১ ঘণ্টাৰ বাবে বিমানৰ চলাচল বন্ধ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ভাৰতীয় বিমান বন্দৰ প্ৰাধিকৰণৰ মুখপাত্ৰই প্ৰকাশ কৰা মতে, এই সময়ছোৱাত বন্দৰটোৰ পৰা অহা যোৱা কৰা ৩৯৪ খন ঘৰুৱা আৰু আন্তৰাষ্ট্ৰীয় বিমানৰ সেৱা বন্ধ থাকিব।

০০০

কাশ্মীৰ উপত্যকাৰ কুলগাম জিলাৰ নিপোৰাত কালি হোৱা এটা পথ দুৰ্ঘটনাত পাঞ্জাবৰ তিনিজন লোকে প্ৰাণ হেৰুৱাই আৰু অন্য ৩ জন আহত হয়।

চৰকাৰী সূত্ৰৰ পৰা জানিব পৰা মতে, কাজিগুন্দৰ পৰা শ্ৰীনগৰ অভিমুখে গৈ থকা এখন বাহন নিপোৰা এলেকাৰ বিদ্যুৎ যোগান কেন্দ্ৰৰ সমীপত পথৰ পৰা বাগৰি পৰা বাবে এই অঘটন ঘটে। বাহনখনত পাঞ্জাবৰ ৭ গৰাকী পৰ্যটক আছিল। আহত সকলক ততাতৈয়াকৈ অনন্তনাগত চৰকাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। চিকিৎসাধীন অৱস্থাত ৪ জন লোকক মৃত ঘোষণা কৰা হয়। আহত ৩ জনৰ অৱস্থা সংকটজনক বুলি কোৱা হৈছে। উপৰাজ্যপাল মনোজ সিনহাই এই দুৰ্ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

০০০

ভাৰতৰ ছিমৰন শৰ্মাই জাপানৰ ক'বেত অনুষ্ঠিত বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপৰ মহিলাৰ ২০০ মিটাৰ দৌৰৰ টি-টুৱেলভ শাখাত সোণৰ পদক অৰ্জন কৰিছে। খেলুৱৈগৰাকীয়ে কালি ২৪ দশমিক ৯-৫ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি স্বৰ্ণপদক হস্তগত কৰাৰ লগতে পেৰালিম্পিকৰ হৈ যোগ্যতা অৰ্জন কৰে। ভাৰতে এইবাৰ বিশ্ব পেৰা এথলেটিক্স চেম্পিয়নশ্বিপত ৬টা সোণসহ মুঠ ১৭টা পদক লাভ কৰে।

০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদ আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ছানৰাইজাৰ্ছ হায়দৰাবাদে প্ৰতিযোগিতাৰ দ্বিতীয়খন কোৱালিফায়াৰ খেলত ৰাজস্থান ৰয়েলছক ৩৬ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে কলকাতা নাইট ৰাইডাৰ্ছে প্ৰথমখন কোৱালিফায়াৰ খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদক পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০

অলিম্পিকত পদক বিজেতা পি ভি সিন্ধু কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত সম্প্ৰতি চীনৰ ঝি য়ি ৱাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি সিন্ধুৱে প্ৰথমটো গেমত জয়লাভ কৰাৰ বিপৰীতে ৱাঙে দ্বিতীয়টো গেমত জয়লাভ কৰিছে।

উল্লেখযোগ্য যে, সিন্ধুয়ে কালি ছেমি ফাইনেলত থাইলেণ্ডৰ বুছানন অংবামৰাংফানক ১৩-২১, ২১-১৬, ২১-১২ গেমত পৰাস্ত কৰাৰ  বিপৰীতে বাঙে নিজ দেশৰে য়ি মেন ঝাঙক ২১-৯, ২১-১১ পোনপটীয়া গেমত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০

ঃঃ সমাপ্ত ঃঃ